**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-05 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে তেওঁ জীৱিত থকালৈকে সম্প্ৰদায়ৰ ভিত্তিত অনুসূচীত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ সাংবিধানিক অধিকাৰ অন্য বৰ্গলৈ হস্তান্তৰ হ'বলৈ নিদিয়ে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি গুজৰাটত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা আছে।

৩। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি ধুবুৰী লোকসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হকে এখন নিৰ্বাচনী সভাক সম্বোধন কৰিব।

৪। নিৰ্বাচন আয়োগে কালি লোকসভা নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাবে মুঠ ভোটদানৰ হাৰ জাৰি কৰিছে।

*আৰু*

৫। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে।

০০০০০

ৰাজনৈতিক দলসমূহে তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। ঘাই ঘাই ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি মহাৰাষ্ট্ৰৰ লাটুৰত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। শ্ৰীমোডীয়ে তেওঁৰ ভাষণত দেশৰ প্ৰগতি আৰু সুৰক্ষাৰ বাবে সুস্থিৰ আৰু শক্তিশালী নেতৃত্বৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। কংগ্ৰেছ দলক সমালোচনা কৰি শ্ৰীমোদীয়ে কয় যে,  দলটোৱে অকল বৰ্তমান প্ৰজন্মৰ বাবেই নহয় বৰং ভৱিষ্যতৰ  বাবেও জনসাধাৰণৰ সম্পত্তি হৰলুকি কৰাৰ পৰিকল্পনা কৰিছে বুলি অভিযোগ তোলে। যান-বাহন নিৰ্মাণ, প্ৰতিৰক্ষাৰ দৰে বিভিন্ন ক্ষেত্ৰত হোৱা প্ৰগতিৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে ২০১৪ চনৰ পূৰ্বৰ আৰু পাছৰ বিকাশৰ গতি তুলনা কৰে।

শ্ৰীমোডীয়ে আজি গুজৰাটত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। প্ৰধানমন্ত্ৰীয়ে আজি বিয়লি উত্তৰ গুজৰাটৰ বানাছকাণ্ঠা জিলাৰ ৰাৱ আৰু চাবৰকাণ্ঠা জিলাৰ হিম্মত নগৰত জনসভাক সম্বোধন কৰিব। শ্ৰীমোডীয়ে কাইলৈ আনন্দ, সুৰেন্দ্ৰনগৰ, জুনাগড় আৰু জামনগৰ চহৰত আয়োজিত নিৰ্বাচনী সমাবেশত ভাষণ দিব। সমগ্ৰ গুজৰাটতে তৃতীয় পৰ্যায়ত অহা ৭ মে'ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে তেওঁ জীৱিত থকালৈকে সম্প্ৰদায়ৰ ভিত্তিত অনুসূচীত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ সাংবিধানিক অধিকাৰ অন্য বৰ্গলৈ হস্তান্তৰ হ'বলৈ নিদিয়ে। তেলেংগানাৰ জহিৰাবাদ সংসদীয় সমষ্টিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰীমোডীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে কংগ্ৰেছ ভোটবেংকৰ ৰাজনীতি, তোষামোদৰ ৰাজনীতি, মিথ্যাচাৰ আৰু স্বজন তোষণৰ বাবে জনাজাত। শ্ৰীমোডীয়ে লগতে কয় যে দেশৰ সংবিধান তেওঁৰ ধাৰ্মিক গ্ৰন্থ আৰু তেওঁ সকলো উপলক্ষতে সংবিধানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আহিছে। কংগ্ৰেছ ক্ষমতালৈ আহিলে উত্তৰাধিকাৰ কৰ আৰোপ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে।

কংগ্ৰেছৰ শীৰ্ষ নেতাসকলৰ নাম নোলোৱাকৈ শ্ৰীমোডীয়ে অভিযোগ তোলে যে তেলেংগানাত আৰ আৰ কৰ প্ৰযোজ্য হৈ আছে আৰু ই ৰাজ্যখনৰ বাবে লজ্জাৰ বিষয় হৈ পৰিছে। তেওঁ কয় যে পূৰ্বতে বি আৰ এছে ৰাজ্যখনত লুণ্ঠন কৰিছিল আৰু সম্প্ৰতি কংগ্ৰেছেও একে কামেই কৰি আছে। কংগ্ৰেছ আৰু বি আৰ এছ্ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠিৰ দৰে আৰু দুয়োটা দলে একেলগে কাম কৰি আছে বুলি শ্ৰীমোডীয়ে অভিযোগ উত্থাপন কৰে।

ৰাজ্য চৰকাৰে ৰাজ্যখনৰ উন্নয়নৰ বাবে সহযোগিতা কৰা নাই বুলি অভিযোগ তুলি প্ৰধানমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে ছম্মক্কা আৰু ছৰলম্মা নামৰ জনজাতীয় বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে যদিও ৰাজ্য চৰকাৰে এতিয়ালৈকে ভূমিৰ আবণ্টন দিয়া নাই। শ্ৰীমোডীয়ে কালি জহিৰাবাদ আৰু মেডক লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলাই এইদৰে প্ৰকাশ কৰে।

ooooo

অসমত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে সকলো ৰাজনৈতিক দলে ভোটদাতা সকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি ধুবুৰী লোকসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হকে এখন নিৰ্বাচনী সভাক সম্বোধন কৰিব। আনহাতে, মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মা আৰু অসম গণ পৰিষদৰ সভাপতি অতুল বৰাই আজি এন ডি প্ৰাৰ্থীসকলৰ হকে ঠায়ে ঠায়ে প্ৰচাৰ চলাব।

ৰাজ্যখনত তৃতীয় পৰ্যায়ত কেইবাগৰাকীও আগশাৰীৰ প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। এই পৰ্যায়ত ছগৰাকী মহিলাসহ মুঠ ৪৭গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত সামৰি ল'বলগীয়া চাৰিটা সংসদীয় সমষ্টিৰ ভিতৰত গুৱাহাটীত বিজেপি আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। বিজেপিয়ে প্ৰাক্তন উপ-মেয়ৰ বিজুলী কলিতা মেধিক প্ৰাৰ্থী হিচাপে থিয় কৰাইছে। কংগ্ৰেছে সমষ্টিটোৰ পৰা মীৰা বৰঠাকুৰ গোস্বামীক প্ৰক্ষেপ কৰিছে। ইপিনে, ধুবুৰী সমষ্টিত এ-আই-ইউ-ডি-এফৰ মুৰব্বী তথা বৰ্তমানৰ সাংসদ বদৰুদ্দিন আজমলৰ বিৰুদ্ধে কংগ্ৰেছৰ ৰকিবুল হুছেইন নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। সমষ্টিটোত এন ডি এ অসম গণ পৰিষদৰ জাভেদ ইছলামক টিকট প্ৰদান কৰিছে। এই পৰ্যায়ৰ বাকী দুটা সমষ্টি বৰপেটা আৰু কোকৰাঝাৰত তিনিকোণীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

ooooo

নিৰ্বাচন আয়োগে কালি লোকসভা নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাবে মুঠ ভোটদানৰ হাৰ জাৰি কৰিছে। আয়োগে প্ৰথম পৰ্যায়ত ৬৬ দশমিক ১-৪ শতাংশ আৰু দ্বিতীয় পৰ্যায়ত ৬৬ দশমিক ৭-১ শতাংশ ভোটদান হোৱা বুলি প্ৰকাশ কৰিছে। আয়োগে কৈছে যে প্ৰথম পৰ্যায়ত ৬৬ দশমিক ২-২ শতাংশ

পুৰুষ ভোটদাতা, ৬৬ দশমিক ০-৭ শতাংশ মহিলা ভোটদাতা আৰু ৩১ দশমিক ৩-২ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই গণতান্ত্রিক অধিকাৰ সাব্যস্ত কৰিছে। একেদৰে দ্বিতীয় পৰ্যায়ত ৬৬ দশমিক ৯-৯ শতাংশ পুৰুষ ভোটদাতা, ৬৬ দশমিক ৪-২ শতাংশ মহিলা ভোটদাতা আৰু ২৩ দশমিক ৮-৬ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কৈছে যে তৃতীয় কাৰ্যকালৰ বাবে ক্ষমতালৈ আহিলে বিজেপি চৰকাৰে দুবছৰৰ ভিতৰত দেশৰ পৰা নক্সালবাদক পুলিয়ে পোখাই উৎখাত কৰিব। আহমেদাবাদৰ নৰোদাত কালি বিয়লি আহমেদাবাদ পূব সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থী হছমুখ পেটেলৰ হকে নিৰ্বাচনী সভাত ভাগ লৈ শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশলৈ শান্তি আনিছে আৰু দেশক বিশ্বৰ অগ্ৰণী অৰ্থব্যৱস্থাসমূহৰ অন্যতম কৰি তুলিছে। তেওঁ কয় যে নৰেন্দ্ৰ মোডী চৰকাৰে দেশৰ সৰ্বাত্মক বিকাশৰ আৰ্হি স্থাপন কৰিছে। তেওঁ লগতে কয় যে নৰেন্দ্ৰ মোডী দেশৰ প্ৰধানমন্ত্ৰী হোৱাৰ পাছৰে পৰা গোলকীয় পৰ্যায়ত ভাৰতৰ ভাৱমূৰ্তি যথেষ্ট সলনি হৈছে। শ্ৰীশ্বাহে বিজেপি চৰকাৰে দেশৰ দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে কৰা কাম-কাজৰ ওপৰতো আলোকপাত কৰে।

০০০০০

কংগ্ৰেছে লোকসভা নিৰ্বাচনৰ বাবে চাৰিগৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। দলে অভিনয় জগতৰ পৰা ৰাজনীতিত খোজ দিয়া ৰাজ বাববৰক হাৰিয়ানাৰ গুৰগাঁও আসনৰ পৰা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আনন্দ শৰ্মাক হিমাচল প্ৰদেশৰ কাংগ্ৰাৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। একেদৰে ছটপাল ৰায়জাদা হিমাচল প্ৰদেশৰ হামিৰপুৰৰ পৰা আৰু ভূষণ পাটিলক মহাৰাষ্ট্ৰৰ মুম্বাই উত্তৰ সংসদীয় সমষ্টিৰ পৰা দলীয় টিকট প্ৰদান কৰা হৈছে। কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে কালি প্ৰাৰ্থীকেইজনৰ নাম চূড়ান্ত কৰে।

০০০০০

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৪৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত ছটা উইকেট হেৰুৱাই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হয়। লক্ষ্ণৌৰ হৈ মাৰ্কাছ ষ্টʼয়নিছে ৪৫টা বলত ৬২ ৰাণ কৰে। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময় ১৪৪ ৰাণ কৰে। মুম্বাইৰ হৈ নেহাল ৱধেৰাই ৪১টা বলত ৪৬ ৰাণ কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মোহছিন খানে দুটা উইকেট দখল কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ কালিৰ জয়ৰ পাছত প্ৰতিযোগিতাৰ পইণ্ট তালিকাত পঞ্চমৰ পৰা তৃতীয় স্থানলৈ উন্নীত হৈছে। মুম্বাই ইণ্ডিয়ানছ্ বৰ্তমান নৱম স্থানত আছে।

প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হʼবলগীয়া এখন খেলত পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব।

০০০০০

ভাৰতে ২০২৪ বৰ্ষৰ বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আয়োজন কৰিব। গুৱাহাটীৰ নেশ্যনেল চেণ্টাৰ অব এক্সিলেন্সত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হʼব। বেডমিণ্টন ৱৰ্ল্ড ফেডাৰেশ্যন বি ডব্লিউ এফৰ সভাপতি পʼল এৰিক হোয়ৰে কৈছে যে ভাৰতত যুৱ বেডমিণ্টন প্ৰতিভাৰ উত্থান ঘটা পৰিলক্ষিত হৈছে। তেওঁ লগতে কয় যে এই ক্ষেত্ৰত বি ডব্লিউ এফে ভাৰতত বিশ্ব জুনিয়ৰ চেম্পিয়নশ্বিপ

আয়োজন কৰাটো গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰতিযোগিতাৰ সূচী পিছত ঘোষণা কৰা হ'ব। ইয়াৰ পূৰ্বে ২০০৮ চনত পুণেত বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি চিলেট আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ঘৰুৱা দল বাংলাদেশক ডাক-ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ১৯ ৰাণত পৰাস্ত কৰে।

০০০০০

সমাপ্ত